কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ :
*Ref :*

তাৰিখ : ২২-১০-২০১৮
*Date* :

## অসম জাতীয় বিদ্যালয়ত সদৌ অসম ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা

**নুনমাটি, গুৱাহাটী, ২২ অক্টʼবৰ, ২০১৮** : অসম জাতীয় বিদ্যালয়ৰ ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি অহা ৫নৱেম্বৰ ২০১৮তাৰিখে সদৌ অসম ভিত্তিত এখনি ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতাখন বিদ্যালয় আৰু মহাবিদ্যালয় দুটা শাখাত অনুষ্ঠিত হʼব। প্ৰতিযোগিতাত শিক্ষানুষ্ঠানৰ মুৰব্বীৰদ্বাৰা মনোনীত প্ৰতিযোগীয়েহে অংশগ্ৰহণৰ সুযোগ লাভ কৰিব। বিদ্যালয় পৰ্যায়ৰ প্ৰতিযোগিতাখনৰ বাবে শিক্ষাৰ্থীসকল অষ্টম, নৱম অথবা দশম শ্ৰেণীত বৰ্তমান অধ্যয়ন কৰি থকা হʼব লাগিব। মহাবিদ্যালয় পৰ্যায়ৰ প্ৰতিযোগিতাখনৰ শিক্ষাৰ্থীসকল একাদশ, দ্বাদশ অথবা স্নাতক মহলাত অধ্যয়ন কৰি থকা হʼব লাগিব। প্ৰতিযোগী শিক্ষাৰ্থীয়ে বিদ্যালয় মহাবিদ্যালয়ৰ নিজৰ পৰিচয় পত্ৰ, অনুষ্ঠানৰ মুৰব্বীৰ অনুমতি পত্ৰ প্ৰতিযোগিতাৰ দিনাখন জমা দিব লাগিব। বিদ্যালয় পৰ্যায়ৰ শিক্ষাৰ্থীৰ লগত বিদ্যালয়ৰ এগৰাকী শিক্ষক প্ৰতিনিধি অথবা অভিভাৱক লগত অহাটো বাধ্যতামূলক। প্ৰতিযোগীয়ে কোনো ভৰ্তি মাচুল দিব নালাগে। যোগদান কৰিব বিচৰা সকলে ৩০অক্টোবৰ,২০১৮ৰ ভিতৰত ৯১০১২৩৫৪৮১ ফʼন নম্বৰত যোগাযোগ কৰি নিজৰ যোগদানৰ নিশ্চিতি দিব লাগিব। বিদ্যালয়ৰ website-www.assamjatiya bidyalay.com ত প্ৰতিযোগিতাৰ সবিশেষ উপলব্ধ হʼব।

প্ৰতিটো শাখাত আগতীয়াকৈ যোগাযোগৰ ভিত্তিত প্ৰথম ২৫গৰাকী প্ৰতিযোগীকহে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ দিয়া হʼব। প্ৰতিটো শাখাৰ প্ৰথম , দ্বিতীয়, তৃতীয় স্থান লাভ কৰা প্ৰতিযোগীক মানপত্ৰৰ লগতে নগদ ধনেৰে পুৰস্কৃত কৰা হʼব। প্ৰথম পুৰস্কাৰ - ১০,০০০ টকা, দ্বিতীয় পুৰস্কাৰ - ৭,৫০০ টকা, তৃতীয় পুৰস্কাৰ - ৫,০০০ টকা

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০

অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
Ref :

তাৰিখ :২২-১০-২০১৮
Date :

# প্ৰতিযোগিতাৰ বাবে নিয়মাৱলী

১) প্ৰতিযোগিতাখন দুটা পৰ্যায়ত অনুষ্ঠিত কৰা হ'ব। 'ক শাখা'ত অষ্টম, নৱম, দশম শ্ৰেণীৰ আৰু 'খ শাখা'ত একাদশ, দ্বাদশ, স্নাতক মহলাৰ শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰিব পাৰিব।

২) প্ৰতিযোগিতাৰ আৰম্ভণিৰ সময় ৰাতিপুৱা ৯ বাজি ৩০ মিনিটত।

৩) একোগৰাকী প্ৰতিযোগীয়ে সংগীত পৰিৱেশনৰ বাবে ৩ মিনিটকৈ সময় পাব।

৪) প্ৰতিযোগীসকলে ভূপেন হাজৰিকাৰ কণ্ঠৰ যিকোনো গীত পৰিৱেশন কৰিব পাৰিব।

৫) সংগীত পৰিৱেশনৰ বাবে আৱশ্যক হোৱা বাদ্যযন্ত্ৰী প্ৰতিযোগীসকলে লৈ আহিব পাৰিব অথবা বিদ্যালয়ৰ পৰাও বাদ্যযন্ত্ৰীৰ সুবিধা উপলব্ধ হ'ব।

৬) কিন্তু প্ৰতিযোগীসকলে কোনো ধৰণৰ বৈদ্যুতিক বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰিব নোৱাৰিব। কেৱল তবলা, হাৰমনিয়াম আৰু গীটাৰহে ব্যৱহাৰ কৰিব পাৰিব।

৭) বিদ্যালয় পৰ্যায়ৰ প্ৰতিযোগীসকলে অৰ্থাৎ 'ক শাখাত'— বিদ্যালয়ৰ ইউনিফৰ্ম পিন্ধাটো বাঞ্ছনীয়।

৮) মহাবিদ্যালয় পৰ্যায়ৰ প্ৰতিযোগীসকলে অৰ্থাৎ 'খ শাখা'ত অনুষ্ঠানটোৰ গাম্ভীৰ্য ৰক্ষা কৰি পোছাক পৰিধান কৰিব লাগিব।

৯) প্ৰতিযোগীসকলৰ বাবে বিদ্যালয় চৌহদত বিনামূলীয়াকৈ থকা-খোৱাৰ ব্যৱস্থা কৰা হ'ব।

১০) একোখন বিদ্যালয়/মহাবিদ্যালয়ৰ এগৰাকী প্ৰতিযোগীয়েহে অংশগ্ৰহণ কৰিব পাৰিব।

১১) যোগাযোগৰ বাবে টেলিফ'ন নম্বৰ :
শ্ৰীমতী চন্দনা মেধি চৌধুৰী — ৯১০১২৩৫৪৮১ ।

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০